**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-05-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
---------------------

১। অপাৰেচন সিন্দূৰৰ জৰিয়তে স্পষ্ট হৈ উঠা পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি উপস্থাপনৰ বাবে বিভিন্ন দেশলৈ চৰকাৰে বহুদলীয় প্ৰতিনিধি দল প্ৰেৰণ কৰিব।

২। ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন আই এছ্ আইৰ শ্লিপাৰ মডিউলৰ দুজন সদস্যক গ্ৰেপ্তাৰ কৰিছে।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে দাবী কৰিছে যে ভাৰতে আমেৰিকাৰ সামগ্ৰীত সকলো ধৰণৰ কৰ প্ৰত্যাহাৰৰ প্ৰস্তাৱ দিছে।

৪। উচ্চ ৰক্তচাপৰ ক্ষতিকাৰক দিশ আৰু ইয়াৰ প্ৰতিৰোধ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্বজুৰি বিশ্ব উচ্চ ৰক্তচাপ দিৱস পালন কৰা হৈছে।

*আৰু*

৫। এসপ্তাহৰ বিৰতিৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ আজিৰেপৰা পুনৰ অনুষ্ঠিত হ'ব।

০০০০০০

অপাৰেচন সিন্দূৰৰ জৰিয়তে স্পষ্ট হৈ উঠা পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি উপস্থাপনৰ বাবে বিভিন্ন দেশলৈ চৰকাৰে বহুদলীয় প্ৰতিনিধি দল প্ৰেৰণ কৰিছে। এই বহুদলীয় প্ৰতিনিধি দলটোক সাতগৰাকী সাংসদে নেতৃত্ব দিব। তেওঁলোক হৈছে কংগ্ৰেছৰ শশী থাৰুৰ, বিজেপিৰ ৰবিশংকৰ প্ৰসাদ, জে ডি ইউৰ সঞ্জয় কুমাৰ ঝা, বিজেপিৰ বৈজয়ন্ত পাণ্ডা, ডি এম কেৰ কানিমোঝি কৰুণানিধি, এন চি পিৰ সুপ্ৰিয়া সুলে আৰু শিৱসেনাৰ শ্ৰীকান্ত একনাথ ছিন্দে। দলটোত বিভিন্ন ৰাজনৈতিক দলৰ সাংসদ, আগশাৰীৰ ৰাজনৈতিক ব্যক্তি আৰু কূটনীতিককো অন্তৰ্ভুক্ত কৰা হৈছে।

তেওঁলোকে কেইবাখনো দেশৰ লগতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সদস্য-ৰাষ্ট্ৰসমূহ ভ্ৰমণ কৰিব। এই ভ্ৰমণত সাংসদসকলে ভাৰতৰ ৰাষ্ট্ৰীয় একতা আৰু সকলো ধৰণৰ সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিৰ বিষয়ে সংশ্লিষ্ট ৰাষ্ট্ৰসমূহক জনাব। তেওঁলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাক বিশ্বৰ সন্মুখত তুলি ধৰিব। এই সন্দৰ্ভত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে এই বহুদলীয় প্ৰতিনিধি দলটোৱে ৰাজনৈতিক পাৰ্থক্যৰ উৰ্ধত গৈ বিশ্বৰ সন্মুখত ৰাষ্ট্ৰীয় একতাৰ শক্তিশালী প্ৰতিফলন ঘটাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বাৰ্তা দিব।

০০০০০০

ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা চমুকৈ এন আই এই নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন আই এছ আইৰ শ্লিপাৰ মডিউলৰ দুজন সদস্যক গ্ৰেপ্তাৰ কৰিছে। ২০২৩ চনত মহাৰাষ্ট্ৰৰ পুণেত আই ই ডি নিৰ্মাণ আৰু পৰীক্ষণ সংক্ৰান্তীয় গোচৰত সন্ত্ৰাসবাদী দুজনক গ্ৰেপ্তাৰ কৰা হৈছে।

সংস্থাই এটা বিবৃতিযোগে জনাইছে যে অভিযুক্ত দুজনক ইণ্ডোনেছিয়াৰ জাকাৰ্টাৰ পৰা ভাৰতলৈ ওভতাৰ পথত মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত গ্ৰেপ্তাৰ কৰা হয়। দুয়োজন অভিযুক্ত যোৱা দুবছৰে পলাতক আছিল আৰু তেওঁলোকৰ বিৰুদ্ধে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছে বুলিও সংস্থাটোৱে জানিবলৈ দিয়ে। সংস্থাটোৱে লগতে জনায় যে এই সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱা আন অভিযুক্তসকলৰ লগতে এই দুজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হৈছে। এই অভিযুক্ত দুজনে পুণেৰ এটা ঘৰত আই ই ডি নিৰ্মাণ কৰি আছিল। সন্ত্ৰাসবাদী দুজনে বোমা নিৰ্মাণ আৰু পৰীক্ষণ কৰ্মশালা আয়োজন কৰিছিল আৰু এই স্থানত নিজে নিৰ্মাণ কৰা আই ই ডি পৰীক্ষা কৰিবলৈ নিয়ন্ত্ৰিত বিস্ফোৰণো ঘটাইছিল। সংস্থাই এই দুজন অভিযুক্তৰ বিষয়ে তথ্য প্ৰদানকাৰীলৈ ৩ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। এই গোচৰৰ তদন্ত বৰ্তমান অব্যাহত আছে। ০০

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে দাবী কৰিছে যে ভাৰতে আমেৰিকাৰ সামগ্ৰীত সকলো ধৰণৰ কৰ প্ৰত্যাহাৰৰ প্ৰস্তাৱ দিছে। শ্ৰীট্ৰাম্পে ট্ৰাম্পে লগতে কয় যে ভাৰতৰ সৈতে এখন বাণিজ্য চুক্তি চূড়ান্ত কৰিবলৈ তেওঁ লৰালৰি কৰা নাই। এটা সাক্ষাৎকাৰত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সকলোৰে লগত বুজাবুজি কৰিবলৈ তেওঁৰ পৰিকল্পনা নাই।

ডনাল্ড ট্ৰাম্পৰ দাবীৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিদেশ মন্ত্ৰী ড০ জয়শংকৰে কয় যে ইতিমধ্যে চলি থকা বুজাবুজিসমূহ অত্যন্ত জটিল আৰু চূড়ান্ত হবলৈ এতিয়াও বহুত বাকী। সংবাদ মাধ্যমক ড০ জয়শংকৰে কয় যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত বাণিজ্য সম্বন্ধীয় আলোচনা চলি আছে। আলোচনাৰ জৰিয়তে হ'বলগীয়া বাণিজ্য চুক্তিয়ে দুয়োখন দেশকে উপকৃত কৰিব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ গান্ধী নগৰত ৭০৮ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত গান্ধীনগৰ পৌৰ নিগম, গান্ধীনগৰ নগৰ উন্নয়ন প্ৰাধীকৰণ আৰু গান্ধীনগৰ জিলা প্ৰশাসনৰ কেইবাটাও প্ৰকল্প আছে। শ্ৰীশ্বাহে ভাভোলত নৱ-নিৰ্মিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, পেঠাপুৰৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু নতুনকৈ বিকশাই তোলা কোলৱাৰা হ্ৰদো মুকলি কৰিব। এই কাৰ্যসূচীৰ সময়ত গৃহমন্ত্ৰীগৰাকীয়ে ডাক বিভাগৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰীলৈ তেওঁলোকৰ লাভসমূহ বিতৰণ কৰাৰ লগতে এখন জনসভাতো ভাষণ দিব। কাইলৈ শ্ৰী শ্বাহে আহমেদাবাদ আৰু মাহেচানাত বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত ৫৫ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে **লখিমী মিস্ত্ৰী** আঁচনিৰ শুভাৰম্ভ কৰাৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু কৃষি বিভাগৰ কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব। অনুষ্ঠানত

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে কৃষি মন্ত্ৰী অতুল বৰা তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকিব।

000000

আজি বিশ্বজুৰি বিশ্ব উচ্চ ৰক্তচাপ দিৱস পালন কৰা হৈছে। উচ্চ ৰক্তচাপৰ ক্ষতিকাৰক দিশ আৰু ইয়াৰ প্ৰতিৰোধ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱস বিষয়বস্তু হৈছে- **উচ্চ ৰক্তচাপৰ সঠিক নিৰূপন, ইয়াৰ নিয়ন্ত্ৰণ আৰু দীৰ্ঘজীৱি হোৱা**। বেচৰকাৰী সংস্থা ৱৰ্ল্ড হাইপাৰটেনচন লীগৰ উদ্যোগত ২০০5 চনৰ পৰা বিশ্ব উচ্চ ৰক্তচাপ দিৱস পালন কৰি অহা হৈছে।

আকাশবাণীক এইমছ্ নতুন দিল্লীৰ ভেষজ বিভাগৰ অধ্যাপক ড০ নেভেল কে বিক্ৰমে কয় যে উচ্চ ৰক্তচাপ হৈছে নীৰৱ ঘাটক আৰু বিপজ্জনক সীমাত উপনীত নোহোৱা পৰ্যন্ত কোনো ধৰণৰ লক্ষণ ফুটি নুঠে। তেওঁ লগতে কয় যে উচ্চ ৰক্তচাপৰ ফলত হৃদৰোগ আৰু ষ্ট্ৰোককে ধৰি স্বাস্থ্যৰ বিভিন্ন জটিলতা সৃষ্টি হ'ব পাৰে। ড০ বিক্ৰমে প্ৰতিগৰাকী লোককে নিয়মীয়াকৈ ৰক্তচাপ জোখাৰ পৰামৰ্শ দিয়ে। তেওঁ কয় যে স্বাস্থ্যসন্মত জীৱন যাপন, শাৰিৰীক সক্ৰিয়তা, মানসিক চাপ হ্ৰাস কৰা আৰু খাদ্যৰ সন্তুলতা বৰ্তাই ৰখাৰ জৰিয়তে উচ্চ ৰক্তচাপক বাধা দিব পাৰি। উচ্চ ৰক্তচাপ প্ৰতিৰোধৰ বাবে খাদ্যত নিমখৰ পৰিমাণ কমোৱাতো তেওঁ গুৰুত্ব দিয়ে।

000000

তুৰ্কীয়েৰ ইষ্টানবুলত যুদ্ধবিৰতিক লৈ আলোচনা চলি থকাৰ মাজতে উত্তৰ-পূব ইউক্ৰেইনত এখন যাত্ৰীবাহী বাছত হোৱা ৰাছিয়াৰ ড্ৰোন আক্ৰমণত কমেও ৯জন লোক নিহত হয়। স্থানীয় সামৰিক প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি বিল'পিল্লিয়া নগৰত হোৱা এই আক্ৰমণত চাৰিজন লোক আহত হয়। শেহতীয়া খবৰ অনুসৰি ইষ্টানবুলৰ আলোচনাত ইউক্ৰেইন আৰু ৰাছিয়াৰ যুদ্ধবিৰতিৰ কোনো বিশেষ সমাধান সূত্ৰ নোলাল। অৱশ্যে দুয়োপক্ষই অনাগত দিনত এহেজাৰকৈ বন্দীক বিনিময় কৰাৰ বাবে সন্মত হৈছে।

000000

এসপ্তাহৰ বিৰতিৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ আজিৰেপৰা পুনৰ অনুষ্ঠিত হ'ব। আজি চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে ভাৰত আৰু পাকিস্তানৰ মাজৰ বৰ্ধিত উত্তেজনাৰ পৰিপ্ৰেক্ষিতত যোৱা ৯ মে'ত আই পি এলৰ বাকী থকা খেলসমূহ সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বি চি চি আয়ে তেতিয়াই এটা নতুন নিৰ্দেশনাৰ জৰিয়তে ম'হালি আৰু ধৰমশালাত এই প্ৰতিযোগিতাৰ পৰৱৰ্তী কোনো খেল অনুষ্ঠিত নহয় বুলি প্ৰকাশ কৰিছিল। যোৱা ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব। আনহাতে ২৫ মে'ত হ'বলগীয়া ফাইনেল খেলখন ৩ জুনত অনুষ্ঠিত হ'ব। ফাইনেল খেলৰ স্থান পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব।

000000

ভাৰতৰ তাৰকা জেভলিন খেলুৱৈ নীৰজ চোপ্ৰাই দোহাত অনুষ্ঠিত ডায়মণ্ড লীগৰ পুৰুষৰ জেভলিন থ্ৰ' প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিছে। নীৰজে ৯০ দশমিক ২-৩ মিটাৰ দূৰত্বলৈ যাঠি দলিয়াই অভিলেখ

কৰে যদিও ৯১ দশমিক ৬ মিটাৰেৰে দৰ্শকক অভিভূত কৰা জাৰ্মানীৰ জুলিয়ান ৰেবাৰক অতিক্ৰম কৰিবলৈ অসমৰ্থ হয়। ইয়াৰ পূৰ্বে অলিম্পিক পদক বিজেতা খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত ৯০ দশমিক ২-৩ মিটাৰ দূৰত্বলৈ যাঠি দলিয়াই তেওঁৰ কেৰিয়াৰৰ পূৰ্বৰ অভিলেখ ভংগ কৰে। ইপিনে, ভাৰতৰ পাৰুল চৌধুৰীয়ে মহিলাৰ ৩ হাজাৰ মিটাৰ ষ্টেপ্লচেজ প্ৰতিযোগিতাত ষষ্ঠ স্থানত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দোহা ডায়মণ্ড লীগত এই প্ৰদৰ্শনৰ বাবে নীৰজ চোপ্ৰাক অভিনন্দন জনায়।

০০০০০০

১৯ বছৰ অনুৰ্ধৰ ছাফ চেম্পিয়নশ্বিপত ভাৰতীয় ফুটবল দলটো ফাইনেলত প্ৰৱেশ কৰিছে। অৰুণাচল প্ৰদেশৰ ইউপিয়াৰ গল্ডেন জুবিলি ষ্টেডিয়ামত অনুষ্ঠিত ছেমি ফাইনেলত ভাৰতীয় দলটোৱে মালদীপক ৩-০ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। দলৰ হৈ ডেনি মেইটেই লাইশ্বৰাম, উমঙ দদুম আৰু প্ৰশান্ত জ'জ'ই এটাকৈ গ'ল দিয়ে। ইয়াৰ পূৰ্বে পৰহি অনুষ্ঠিত আন এখন ছেমিফাইনেলত বাংলাদেশে নেপালক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ফাইনেল খেলখন আজি ইউপিয়াৰ গল্ডেন জুবিলি ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত